# চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ ধূপধৰা বুঢ়াদলৰ হীৰক জয়ন্তী সমাৰোহ



নিয়মীয়া বাৰ্তা, ধূপধৰা, ২ জানুৱাৰী ঃ গোৱালপাৰা জিলাৰ পুব প্ৰান্তৰ ধূপধৰাৰ বুঢ়াদলৰ হীৰক জয়ন্তী চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰে পৰা আৰম্ভ হয়। আজি প্ৰথম দিনৰ কাৰ্যসূচী মৰ্মে পুৱা ৯ বজাৰ পৰা ল'ৰা-ছোৱালী আৰু মহিলাসকলৰ মাজত কুকুৰাযুঁজ, ৰছী টনা, ধামা কোবোৱা, দৌৰ আদিকে ধৰি বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কাইলৈ সন্ধিয়া ৫ বজাত অনুষ্ঠিত হ'ব অধিবাস। একেদৰে চাৰি জানুৱাৰীত পুৱা ৯ বজাত পতাকা উত্তোলনৰ পিছতে বৃক্ষৰোপণ, সমূহীয়া নাম-প্ৰসংগ, সাহিত্য আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পাঁচ জানুৱাৰীত পুৱা ৯ বজাত জী-জোঁৱাই সন্মিলন অনুষ্ঠিত হোৱাৰ পিছতে দিনৰ ১ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। গুৱাহাটী মেডিকেল কলেজৰ সহকাৰী অধীক্ষক ডাঃ প্ৰদীপ দাসে উদ্বোধন কৰিবলগীয়া মুকলি সভাত মুখ্য অতিথি হিচাপে ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাস উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী, দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক দীপক কুমাৰ ৰাভা। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনৰ পিছতে আমন্ত্ৰিত শিল্পীসকলে সংগীতানুষ্ঠান পৰিৱেশন কৰিব।